অসম আদিত্য

## ...গীৰ স্বচ্ছতা অভিযান

...জেপি সাধাৰণ সম্পাদক
...ক সমিতিৰ পৰা প্ৰেৰণ
...তি মৰ্চা ডিব্ৰুগড় জিলা
...কা, অনুসূচিত জাতি মৰ্চা
...প-সভাপতি ৰাজীৱ দাস,
...অনুসূচিত জাতি মৰ্চাৰ
...ন, জিলা অনুসূচিত জাতি
...াদক নকুল দাস, খনিকৰ
...ৰাহুল দেৱ সোনোৱাল,
...ায়তৰ সভাপতি বিনয়
...৫ নং ৱাৰ্ড কমিছনাৰ
...কা, অনুসূচিত জাতি মৰ্চা

খনিকৰ মণ্ডলৰ সভাপতি পৰেশ দাস, বিজেপি খনিকৰ মণ্ডলৰ সাধাৰণ সম্পাদক শ্যামকানু গগৈ, জিলা অনুসূচিত জাতি মৰ্চাৰ উপ-সভাপতি দ্বিপেন দাস, জিলা অনুসূচিত জাতি মৰ্চা সম্পাদক দ্বয় পংকজ দাস আৰু প্ৰফুল্ল হাজৰিকা, বিজেপি খনিকৰ মণ্ডলৰ সম্পাদক বিষ্ণু বড়াৰ লগতে বিভিন্ন দায়িত্বত অধিষ্ঠিত বিষয়ববীয়া, কাৰ্যকৰ্তসকল। উক্ত স্বচ্ছতা অভিযানত সহযোগিতা আগবঢ়োৱা সকলোলৈকে ডিব্ৰুগড় জিলা অনুসূচিত জাতি মৰ্চাৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে।

## ...হু ভোজন ৰান্ধনী আন্দোলনৰ ঘোষণা

...সদৌ অসম প্ৰাথমিক ... ধৰণেৰে আন্দোলন হ'ব। তীব্ৰ গণতান্ত্ৰিক প্ৰতিবাদী

# কানৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° টাইতাছ ভেংৰাৰ বিয়োগ



**ষ্টাফ ৰিপৰ্টাৰ, ২১ এপ্ৰিল ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° টাইতাছ ভেংৰাৰ আজি পুৱা পৰলোকপ্ৰাপ্তি হয়। অসুস্থ ড° ভেংৰাক চহৰখনৰ ভি জি হস্পিতেলত চিকিৎসাৰ অন্তত চুটি দিয়া হৈছিল যদিও তেওঁৰ নিজা বাসভৱনত পৰলোকপ্ৰাপ্তি ঘটে। আনহাতে, ডিব্ৰুগড় জিলাৰ ডি এইচ এছ কে কানৈ মহাবিদ্যালয়ৰ ৰাজনীতি বিভাগৰ জ্যেষ্ঠ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° টাইতাছ ভেংৰাৰ বিয়োগত সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ 'আছা'ৰ সম্পাদক দেবেন ওৰাঙে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। ড০ ভেংৰা মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সদস্যৰ লগতে 'আছা'ৰ উপদেষ্টা আৰু মুণ্ডাৰী সাহিত্য সভাৰ উপদেষ্টা আছিল। তেওঁৰ প্ৰচেষ্টাত আদিবাসী সমাজত ৰাষ্ট্ৰীয় শ্বহীদ বীৰ বিৰছা মুণ্ডাৰ বিষয়ে বহুল প্ৰচাৰৰ বাবে ডিব্ৰুগড় কদমণিত বীৰ বিৰছা মুণ্ডাৰ মেমৰীয়েল বিদ্যালয় স্থাপন কৰিছিল। ভেংৰাৰ মৃত্যুত সমাজখনৰ অপূৰণীয় ক্ষতি হয়। ভেংৰা আদিবাসী সমাজৰ প্ৰথমগৰাকী ডক্টৰেট ডিগ্ৰীধাৰী ব্যক্তি বুলি অভিহিত কৰি সংগঠনটোৰ সম্পাদকগৰাকীয়ে তেওঁৰ মৃত্যুৰ সময়লৈকে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত আছিল। তেওঁৰ কৰ্মৰাজি আদিবাসী সমাজখনে সদায় মনত ৰাখিব বুলি বিবৃতিটোত উল্লেখ কৰিছে।

সাহায্য প্ৰদান, শিক্ষান্ত পৰীক্ষাত দুলীয়াজান কেন্দ্ৰৰ পৰা সৰ্বোচ্চ নম্বৰ পোৱা আৰু প্ৰাথমিক বৃত্তি পোৱা ছাত্ৰ-ছাত্ৰীক এককালীন শিক্ষা বৃত্তিৰ লগতে উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত অসমীয়া বিষয়ত দুলীয়াজান কেন্দ্ৰৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীক এই বৃত্তি প্ৰদান কৰি আহিছে। চলিত বৰ্ষৰ শিল্পী সাহায্য বাবে শিৱসাগৰ, চৰাইদেউ, ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ অন্তৰ্গত ৪৫ বছৰৰ উৰ্ধ্বৰ লোক-সংস্কৃতিৰ সাধক তথা প্ৰচাৰ-প্ৰসাৰত ব্ৰতী আৰ্থিকভাৱে দুৰ্বল শিল্পীৰ পৰা ন্যাস সমিতিয়ে আবেদনৰ আহ্বান কৰিছে। অহা ২৮ এপ্ৰিলৰ ভিতৰত মাধৱ বুঢ়াগোহাঁই সভাপতি, বিনোদ চেতিয়া সম্পাদক, বিহুতলী ন্যাস পুঁজি, দুলীয়াজান, ফোন নম্বৰত ৯৪৩৫০০৫৫০৪/৯৯৫৭৮৫০৫০৪ তথ্য, প্ৰমাণ-পত্ৰসহ যোগাযোগ কৰিবলৈ ন্যাস সমিতিৰ তৰফৰ পৰা অনুৰোধ জনোৱা হৈছে।